প্ৰতি

সম্পাদক, অসমীয়া প্ৰতিদিন,

গুৱাহাটী, অসম

বিষয় :- প্ৰকাশ পোৱা বাতৰি "গভীৰ নিদ্ৰাত ৰাজ্যৰ স্বাস্থ্য বিভাগ – জাপানীজ এন্‌কেফেলাইটিছৰ সংহাৰ অব্যাহত" ওপৰত স্পষ্টীকৰণ

মহাশয়,

আপোনাৰ দ্বাৰা সম্পাদিত "অসমীয়া প্ৰতিদিন" কাকতৰ আজি ৯ জুলাই, ২০১৫ সংখ্যাত প্ৰকাশিত "গভীৰ নিদ্ৰাত ৰাজ্যৰ স্বাস্থ্য বিভাগ – জাপানীজ এন্‌কেফেলাইটিছৰ সংহাৰ অব্যাহত" – শীৰ্ষক বাতৰি আমাৰ দৃষ্টিগোচৰ হোৱাত তলত এই সন্দৰ্ভত এটি স্পষ্টীকৰণ প্ৰকাশৰ বাবে দাঙি ধৰিলো ।

বাতৰিত অভিযোগ কৰা মতে স্বাস্থ্য বিভাগে জাপানীজ এন্‌কেফেলাইটিছ প্ৰতিৰোধৰ ক্ষেত্ৰত কোনো পদক্ষেপ নোলোৱাৰ কথা সম্পূৰ্ণ অমূলক । এই স্পস্টীকৰণৰ দ্বাৰা স্বাস্থ্য বিভাগে ৰাইজক অবগত কৰাব বিচাৰে যে, জাপানীজ এন্‌কেফেলাইটিছৰ প্ৰতিৰোধ আৰু চিকিৎসাৰ বাবে অসম চৰকাৰৰ স্বাস্থ্য বিভাগে বিভিন্ন পদক্ষেপ হাতত লৈছে । কিছু উল্লেখযোগ্য পদক্ষেপ তলত দাঙি ধৰা হ'ল ।

১/ সকলো চিকিৎসা মহাবিদ্যালয় আৰু জিলা অসামৰিক চিকিৎসালয়ত ৫ খন বিছনা জাপানীজ এন্‌কেফেলাইটিছ ৰোগীৰ বাবে সংৰক্ষিত কৰা হৈছে । সকলো ধৰণৰ আৱশ্যকীয় ঔষধ চৰকাৰী চিকিৎসালয়ত উপলব্ধ আছে ।

২/ উচ্চ চিকিৎসাৰ বাবে উপযুক্ত ৰেফাৰেলৰ ব্যৱস্থাৰ ওপৰত গুৰুত্ব প্ৰদান কৰা হৈছে ।

৩/ স্বাস্থ্য বিভাগত থকা ৰাজ্যিক পৰ্যায়ৰ সকলো বিষয়াক জিলা সমূহত ব্যৱস্থা সমূহৰ পৰ্যবেক্ষণ কৰিবলৈ নিৰ্দেশ দিয়া হৈছে ।

৪/ ৰাজ্যৰ সকলো অঞ্চলতে ইতিমধ্যে ফগিংৰ (ধোঁৱা দিয়া) ব্যৱস্থা কৰা হৈছে ।

৫/ সজাগত কাৰ্য্যসূচী গাওঁ, ব্লক আৰু জিলা ভিত্তিত ইতিমধ্যে চলি আছে ।

এই সকলো ব্যৱস্থাৰ লগতে অৱস্থাৰ গভীৰতাৰ প্ৰতি লক্ষ্য ৰাখি ITBN (আঠুৱা ঔষধীকৰণ) কাৰ্য্যসূচী আৰম্ভ কৰিবলৈ নিৰ্দেশ দিয়া হৈছে । ৰাজ্যৰ স্বাস্থ্য সেৱাৰ প্ৰতি ৰাইজৰ স্বাস্থ্য বিভাগে সদায় দায়বদ্ধ আৰু জাপানীজ এন্‌কেফেলাইটিছ ৰাজ্যৰ পৰা নিৰ্মূল কৰিবলৈ অগ্ৰাধিকাৰ দিয়া হৈছে ।

সেয়েহে আপোনাক এই স্পস্টীকৰণ প্ৰকাশ কৰিবলৈ অনুৰোধ কৰা হ'ল ।

ইতি

OSD, NHM, অসম